আমাৰ অসম ([illegible]) ৭/১১/১৪

# সোণালী জয়ন্তী বৰ্ষত ছয়দুৱাৰ মহাবিদ্যালয়

পাপৰি গৌতম

বিশ্বনাথ জিলাৰ এখন গ্ৰাম্য চহৰ গহপুৰ। প্ৰধানতঃ কৃষিপ্ৰধান এই গহপুৰ অঞ্চল স্বাধীনতা আন্দোলনৰ সময়ছোৱাৰ পৰাই এক স্মৃতি বিজড়িত ঠাই। ইতিহাসপ্ৰসিদ্ধ বীৰাংগনা কনকলতা আৰু মুকুন্দ কাকতিৰ সাহসৰ স্মৃতিৰে প্ৰসিদ্ধ গহপুৰ। এই অঞ্চলৰ ভৌগোলিক পৰিসীমা পূবে হাৰাজানৰ পৰা পশ্চিমে বুৰৈপৰ্যন্ত হৈ বৃহত্তৰ ছয়দুৱাৰ অঞ্চল হিচাপে অভিহিত। ইতিহাস ফহিয়ালে এই ছয়দুৱাৰ অঞ্চল নামকৰণৰো এক ঐতিহাসিক তাৎপৰ্য পোৱা যায়। ৰজাৰ দিনত বিভিন্ন কাৰণৰ পৰিপ্ৰেক্ষিতত কোনো কোনো অঞ্চলত গড় অথবা দুৱাৰ বন্ধা হৈছিল। ঠিক যেনেদৰে ন-দুৱাৰ, চাৰিদুৱাৰ আদি অঞ্চল দেখা যায়। ঠিক একেদৰেই লোকশ্ৰুতি মতে, ডফলাৰ উপদ্ৰৱ আৰু কিছু বাণিজ্যিক কাৰণতো এই অঞ্চলত ছখনকৈ দুৱাৰ বন্ধা হৈছিল আৰু তাৰ ফলস্বৰূপেই বৃহত্তৰ ছয়দুৱাৰ অঞ্চলৰ উৎপত্তি। এই ছয়দুৱাৰ নামেৰেই নামকৰণ হৈ ১৯৬৭ চনত প্ৰতিষ্ঠা হৈছিল এই অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষাৰ অনুষ্ঠান 'ছয়দুৱাৰ মহাবিদ্যালয়'। আৰু এই মহাবিদ্যালয়খনক কেন্দ্ৰ কৰিয়েই বৰ্তমান সমগ্ৰ গহপুৰ অঞ্চল উদুলি-মুদুলি, কিয়নো প্ৰতিষ্ঠাৰ পৰা বৰ্তমানলৈকে সুদীৰ্ঘ পথ অতিক্ৰম কৰি মহাবিদ্যালয়খনে বৰ্তমানৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষত ভৰি দিছে।

গহপুৰ অঞ্চলৰ কেইজনমান বৰেণ্য ব্যক্তিৰ অহোপুৰুষাৰ্থ প্ৰয়াসেৰে এই মহাবিদ্যালয়খন গঢ় লৈ উঠে। স্বাধীনতাৰ বহু বছৰ পাছত এই অঞ্চলত এক নব্য শৈক্ষিক জাগৰণৰ সৃষ্টি হোৱা পৰিলক্ষিত হৈছিল। তাৰ ফলস্বৰূপেই ১৯৬৫ চনত এই অঞ্চলৰ বিশিষ্ট শিক্ষানুৰাগী ব্যক্তিসকল সমবেত হৈ তেতিয়াৰ অবিভক্ত দৰং জিলাৰ পূব প্ৰান্তত এখন মহাবিদ্যালয় স্থাপনৰ পোষকতা কৰে। আৰু এই মত আৰু বিভিন্ন আলোচনাৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়খন গহপুৰ নগৰৰ নাতিদূৰৈত প্ৰতিষ্ঠা কৰাৰ সিদ্ধান্ত লোৱা হয়। সেই উদ্দেশ্যেই মহাবিদ্যালয় স্থাপনৰ বাবে ভূমিৰ প্ৰয়োজন হোৱাত সেই সময়ৰ গহপুৰ চাহ বাগিচাৰ কৰ্তৃপক্ষৰ ওচৰত স্থাপনৰ বাবে প্ৰয়োজনীয় ভূমিৰ বাবে আবেদন জনোৱা হয়, কিন্তু লণ্ডনৰ মেক্লয়েড ৰাছেল কোম্পানীৰ পৰা কোনো খবৰ নহাত মহাবিদ্যালয় স্থাপনত কিছু পলম হয়। ইয়াৰ পাছত এই চিন্তাৰ ওৰ পেলাই ১৯৬৭ চনৰ আগভাগতে সেই সময়ৰ ছুপাৰিনটেণ্ডেণ্ট প্ৰয়াত ব্ৰজেন বৰুৱাদেৱৰ যত্নতে ৮০ বিঘা মাটি মহাবিদ্যালয় কৰ্তৃপক্ষক হস্তান্তৰ কৰে। মহাবিদ্যালয় স্থাপনত এইজন ব্যক্তিৰ অৱদান চিৰ স্মৰণীয় হৈ থাকিব। প্ৰতিষ্ঠাৰ এই মহৎ কাৰ্যত ছয়দুৱাৰ অঞ্চলৰ আন কিছু পুৰোধা ব্যক্তি যথাক্ৰমে প্ৰয়াত তিলক শৰ্মা, প্ৰয়াত নিৰোদবৰণ দাস, প্ৰয়াত জিতেন বৰা, প্ৰয়াত নলিনীকান্ত হাজৰিকা, প্ৰয়াত মহেশ্বৰ বৰা, প্ৰয়াত দিবাকৰ হাজৰিকা, প্ৰয়াত ডিম্বেশ্বৰ বৰা, প্ৰয়াত কেশৱচন্দ্ৰ হাজৰিকা, ৰাম শৰ্মাকে আদিকৰি বিভিন্নজন সুহৃদ ব্যক্তিসকল এই মহান প্ৰচেষ্টাৰ সহযোগী। সমগ্ৰ গহপুৰবাসীয়ে মহাবিদ্যালয় প্ৰতিষ্ঠাৰ কামত হাত উজান দিলে। এই শুভক্ষণত কোনোৱে বিত্তীয় সাহায্যৰে, কোনোৱে শ্ৰম দান কৰি গহপুৰবাসীৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান মহাবিদ্যালয়খন প্ৰতিষ্ঠা কৰি কৃতজ্ঞ হৈৰ'ল।

অৱশেষত ১৯৬৭ চনত ফেব্ৰুৱাৰী মাহৰ ১৪ তাৰিখ পঞ্চমী তিথিত মহাবিদ্যালয়খন আনুষ্ঠানিকভাৱে আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ লাইখুঁটা স্থাপন কৰে সেই সময়ত গহপুৰৰ আটাইতকৈ বয়োজ্যেষ্ঠ ব্যক্তি বাহাদুৰ শইকীয়া ওৰফে বাহাদুৰ গাঁওবুঢ়া আৰু সেই সময়ৰ ছয়দুৱাৰ অঞ্চলৰ আটাইতকৈ শিক্ষিত ব্যক্তি ড° কমলচন্দ্ৰ বৰুৱাদেৱে। গহপুৰৰ বিশিষ্ট সমাজসেৱক, শিক্ষাবিদ কেশৱচন্দ্ৰ হাজৰিকাক মহাবিদ্যালয় পৰিচালনা কমিটীৰ সম্পাদক মতি বৰাদেৱক সহকাৰী সম্পাদক আৰু তিলক শৰ্মাদেৱক সভাপতিৰূপে নিৰ্বাচিত কৰি এখন ষ্টিয়েৰিং কমিটী গঠন হ'ল আৰু মহাবিদ্যালয়খনৰ অধ্যক্ষ নিযুক্তি দিয়া হ'ল এই অঞ্চলৰ শিক্ষাবিদ কোষেশ্বৰ বৰুৱাক।

ইয়াৰ পাছতেই ৰাইজৰ দান-বৰঙণি সংগ্ৰহ কৰি মহাবিদ্যালয়ৰ পুঁজি গঠন কৰা হয়। মহাবিদ্যালয়ৰ বিশেষ অংগ পুথিভঁৰালৰ বাবে এটি গৃহ নিৰ্মাণ কৰিবলৈ গহপুৰ ৰবঙাবাৰীৰ এজন ব্যক্তি কেশৰীলাল মোৱাৰকাদেৱে সাহায্য প্ৰদান কৰে। প্ৰথম কেইবছৰমান ছাত্ৰ-ছাত্ৰীৰ সংখ্যা কম হোৱাত গহপুৰ চাহ বাগিচাৰ কৰ্মচাৰীসকলেই মহাবিদ্যালয়ত নামভৰ্তি কৰি এই অভাৱ দূৰ কৰিছিল। তেওঁলোকৰ এই প্ৰচেষ্টা মহাবিদ্যালয়ে সদায় মনত ৰাখিব। এনেকৈয়ে গহপুৰ অঞ্চলৰ উচ্চ শিক্ষাৰ এই বিদ্যামন্দিৰটি গঢ় লৈ উঠিল। প্ৰথমে বিশ্ববিদ্যালয়ে অনুমতি দিবলৈ যিবোৰ চৰ্ত পূৰণ কৰিব লাগে তাৰে কিছুমান চৰ্ত পূৰণ কৰিব পৰা হোৱা নাছিল। তাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলে নিকটবৰ্তী ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱা মহাবিদ্যালয়ত স্নাতক পৰীক্ষা দিব লগা হৈছিল। অৱশেষত ১৯৭৭ চনত ছয়দুৱাৰ মহাবিদ্যালয়ে ইউ জি চিৰ আওতালৈ আহিবলৈ সক্ষম হৈছিল। এনেকৈয়ে গহপুৰ অঞ্চলত এখন উচ্চ শিক্ষাৰ অনুষ্ঠান গঢ় লৈ উঠিল আৰু যি বৰ্তমানলৈকে এই অঞ্চলৰ একমাত্ৰ উচ্চ শিক্ষানুষ্ঠান। □

ফোন : ৯৮৫৯৭-২৯০৩১

Scanned with Oken Scanner